# Sample Question Paper 2021-2022
Class:X
Term-II
Subject: Assamese
Code:014

Time:2 hours. Full marks: 40

## Section-A
### Comprehension (বোধ পৰীক্ষণ)

১/ তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা: ২×৪=৮

অসমীয়া ভাষা,সাহিত্য আৰু সংস্কৃতিৰ উন্নতি সাধনৰ অৰ্থে গঠিত অসমৰ বৃহৎ সাহিত্যিক আৰু সাংস্কৃতিক অনুষ্ঠান অসম সাহিত্য সভা। ১৯১৭ চনৰ ২৬ ডিচেম্বৰত পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। স্থান আছিল শিৱসাগৰ। অসমীয়া ভাষা- সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি কৰা,অসমৰ থলুৱা ভাষা-সাহিত্য, সংস্কৃতিৰ উন্নয়নৰ বাবে কাম কৰাই হ'ল অসম সাহিত্য সভাৰ উদ্দেশ্য। সেই অনুক্ৰমে অভিধান আৰু ব্যাকৰণ প্ৰণয়ন , প্ৰাচীন সাহিত্য, লোক সাহিত্য, দুষ্প্ৰাপ্য গ্ৰন্থৰ অনুসন্ধান, সংগ্ৰহ, গৱেষণা আৰু প্ৰকাশৰ লগতে অসমৰ জনগোষ্ঠীয় ভাষা-সাহিত্য সংস্কৃতিৰ উন্নয়নৰ বাবে যত্নপৰ হোৱাটো সভাৰ অন্যতম উদ্দেশ্য। তদুপৰি গৱেষণা মূলক মুখপত্ৰ প্ৰকাশ, উপযুক্ত সাহিত্যিকক বঁটা আৰু উপাধি প্ৰদান;সংগীত আৰু চিত্ৰবিদ্যাৰ উন্নতিকল্পেও সভাই কাম কৰে।

এই উদ্দেশ্য সৰোগত কৰি প্ৰতিষ্ঠা কৰা 'অসম সাহিত্য সভাৰ' কেন্দ্ৰীয় কাৰ্যালয় বৰ্তমান যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱন। অসম সাহিত্য সভাই বৰ্তমানৰ প্ৰতীকটো ১৯৬০চনৰ ২৮অক্টোবৰত গ্ৰহণ কৰে। প্ৰতীকটো আঁকিছিল শিল্পী যুগল দাসে।

লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসম সংগীত'ৰ প্ৰথম স্তৱকটি সভাৰ

পতাকা উত্তোলনৰ গীত হিচাপে গোৱা হয়। মিত্ৰদেৱ মহন্ত ৰচিত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি সভাৰ অনুষ্ঠানৰ আৰম্ভণী-গীত হিচাপে আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'অ'মোৰ আপোনাৰ দেশ' গীতটি সভাৰ সামৰণি-গীত হিচাপে ব্যৱহাৰ কৰা হয়।

সম্প্ৰতি কিছুমান বিতৰ্কত ডুব গ'লেও অসম সাহিত্য সভা আজিও অসমৰ কাৰণে অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান হৈ আছে। সাহিত্য চৰ্চা আৰু অসমীয়া ভাষাৰ কাণ্ডাৰী সকলে পতা এই অনুষ্ঠানক অসমীয়া জাতিয়ে সন্মানৰ চকুৰে চাই আহিছে।

প্ৰশ্ন:

ক)অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন খনত কোনে সভাপতিত্ব কৰিছিল? সভাৰ প্ৰথমখন অধিৱেশন ক'ত অনুষ্ঠিত হৈছিল?

খ)অসম সাহিত্য সভা গঠন হোৱাৰ দুটা উদ্দেশ্য লিখা।

গ)অসম সাহিত্য সভাৰ বৰ্তমানৰ প্ৰতীকটো কোনে আঁকিছিল?কিমান চনত এই প্ৰতীক সভাই গ্ৰহণ কৰে?

ঘ) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা: উন্নতি, প্ৰকাশ

## (Section-B)

২/যোৱাবেলি তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা স্বাধীনতা দিৱসৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখনি প্ৰতিবেদন যুগুত কৰা: ৪

৩/তোমাৰ আৰু ঘৰৰ সকলোৰে কুশল বাৰ্তা জনাই দূৰৈত থকা তোমাৰ মামালৈ এখন চিঠি লিখা। চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা। ৪

৪/ তলত দিয়া যিকোনো এটা খণ্ড বাক্যৰ অৰ্থ লিখি বাক্য ৰচনা কৰা: ২

গা গধুৰ, ঘৰ গোনা,আঁঠু ল

## Section -C
## (ব্যাকৰণ)

৫/সমাৰ্থক শব্দ লিখা: (যিকোনো তিনিটাৰ) ৩

ঘৰ,হাতী,চকু, ঐশ্বৰ্য

৬/তদ্ধিত প্ৰত্যয় কাক বোলে?দুটা উদাহৰণেৰে সৈতে বুজাই লিখা। ৩

৭/তলত দিয়া শব্দকেইটাৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা:
(যিকোনো তিনিটাৰ) ৩

নিৰ্মল, উৰ্বৰ, ভক্তি, হৰণ

৮/লিংগ কেইপ্ৰকাৰৰ? পুংলিংগ আৰু স্ত্ৰীলিংগ কাক বোলে লিখা: ৩

## Section-D
## (গদ্য ভাগ)

৯/ তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা: ৩

ক)কাজিৰঙালৈ যাত্ৰা কৰি কি কি বিশেষ শিক্ষা লাভ কৰিলে বুলি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগুৰুসকলক অৱগত কৰিছিল?

খ)"কামত ল'ৰা- ছোৱালী বুলি ভাগ ভাগ নাই, যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা।" কথাষাৰ কোনে কৈছিল আৰু কিয় ক'ব লগীয়া হৈছিল বুজাই লিখা।

১০/চমুটোকা লিখা: ২

( যিকোনোএগৰাকীৰ)

ক) মহীচন্দ্ৰ মিৰি

খ) অনুৰাধা শৰ্মা পূজাৰী।

## (পদ্য ভাগ)

১১/ব্যাখ্যা কৰা: ৩

ক) সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি

অথবা,

খ) মক্কাৰ দুৱাৰত চাহাব তিৰ্ বেণীৰ
ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট।।

১২/উত্তৰ লিখা:( যিকোনোএটাৰ) ২

ক) উজনি অসমত প্ৰচলিত কোন কোন লোকগীতৰ লগত "জিকিৰ আৰু জাৰি" গীতৰ সুৰৰ সাদৃশ্য আছে?

খ)তোমাৰ পাঠত থকা "জিকিৰ" গীতটোৰ মাজেৰে প্ৰকৃততে কি ক'বলৈ বিচৰা হৈছে?

---------------------------------------

--------------–---------------------------------------------------------------------

☐

☐

☐

☐